# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-04-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ পোনপটীয়া সম্প্ৰচাৰ আৰু সুৰক্ষা বাহিনীয়ে গতিবিধি সম্পৰ্কীয় বাতৰি সম্প্ৰচাৰ কৰাৰ পৰা বিৰত থাকিবলৈ সকলো মিডিয়া চেনেললৈ নিৰ্দেশনা জাৰি কৰিছে। ৰাষ্ট্ৰীয় নিৰাপত্তা সুৰক্ষিত ৰখাৰ ক্ষেত্ৰত বিভিন্ন গণমাধ্যম, ডিজিটেল মঞ্চ আৰু জনসাধাৰণৰ ভূমিকাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰালয়ে এই নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনাটোত লগতে প্ৰতিৰক্ষা অভিযান নাইবা প্ৰতিৰক্ষা বাহিনীৰ গতিবিধিৰ সন্দৰ্ভত তথ্য নিৰ্ভৰ বাতৰিৰ প্ৰতিবেদন আকাৰে প্ৰস্তুত কৰাত বাধা আৰোপ কৰা হৈছে। স্পৰ্শকাতৰ তথ্যৰ আগতীয়া প্ৰকাশৰ ফলত সুৰক্ষা বাহিনীৰ কাৰ্যকলাপ প্ৰভাৱান্বিত হোৱাৰ লগতে তেওঁলোকৰ সুৰক্ষাৰ প্ৰতি ভাবুকিৰ সৃষ্টি হ'ব পাৰে বুলিও নিৰ্দেশনাত উল্লেখ কৰা হৈছে। ইয়াৰ বিপৰীতে দায়িত্বশীল বাতৰি সম্প্ৰচাৰৰ ওপৰত মন্ত্ৰালয়ে গুৰুত্ব আৰোপ কৰিছে। কাৰ্গিল যুদ্ধ, মুম্বাই আক্ৰমণ আৰু কান্দাহাৰত বিমান অপহৰণৰ দৰে ঘটনাৰ সময়ত বাতৰিৰ জৰিয়তে অনিয়ন্ত্ৰিত সম্প্ৰচাৰে ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত নেতিবাচক প্ৰভাৱ পেলাইছিল বুলিও মন্ত্ৰালয়ে উল্লেখ কৰে। কেবল, টেলিভিশ্বন নেটৱৰ্ক সংশোধনী নীতি অনুসৰিও সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ পোনপতীয়া সম্প্ৰচাৰৰ কোনো কাৰ্যসূচী টেলিভিশ্বনযোগে সম্প্ৰচাৰ কৰিব পৰা নাযায়। মন্ত্ৰালয়ে লগতে সকলো টিভি চেনেলকে কেবল টিভি নেকৱৰ্ক আইন ২০২১ মানি চলাৰ পৰামৰ্শ দিছে।

০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী ৰে'ল ষ্টেচনত এ আই চালিত চিচি কেমেৰা সংস্থাপন কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা অনুসৰি গুৱাহাটীৰ ৰে'ল ষ্টেচনত ১৩৪টা এ আই চালিত কেমেৰা প্ৰতিটো প্লেটফৰ্ম, জিৰণিকক্ষৰ লগতে ষ্টেচনটোৰ গুৰুত্বপূৰ্ণ স্থানত সংস্থাপন কৰা হৈছে। একেদৰে গুৱাহাটী ৰে'ল ষ্টেচনটোৰ ২০টা স্থানত পেনিক বুটাম লগোৱা হৈছে। এক কোটি ৩০ লাখ টকা ব্যয় সাপেক্ষে এই ব্যৱস্থা কৰা হৈছে বুলি জনসম্পৰ্কৰক্ষী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয়, যে হয়বৰগাঁও ষ্টেচনতো যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি এ আই চালিত কেমেৰা সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। পৰৱৰ্তী সময়ত ৰাজ্যৰ আন আন স্থানত থকা গুৰুত্বপূৰ্ণ ৰে'লৱে ষ্টেচনত এ আই চালিত কেমেৰা সংস্থাপন কৰা হ'ব।

০০০০০

কাশ্মীৰৰ পহলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক সমৰ্থন কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে বিভিন্ন স্থানত অভিযান অব্যাহত ৰাখিছে। পহলগামৰ নৃশংস ঘটনাৰ সন্দৰ্ভত সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত আজি গুৱাহাটীৰ পৰা ডিম্পল বৰুৱা ওৰফে দধীচি ডিম্পলক গোলাঘাট আৰক্ষীয়ে

গ্ৰেপ্তাৰ কৰে। একেদৰে শ্ৰীভূমি জিলাৰ কালিগঞ্জৰ পৰা মুস্তাক আহমেদ ওৰফে ছাহিল হক নামৰ যুৱক এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কামৰূপ জিলাৰ হাজোৰ পৰা আন এজন লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেশ বিৰোধী মন্তব্য কৰা লোকক গ্ৰেপ্তাৰ কৰা হ'ব। সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰি থকা হৈছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ooooo

পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিদিনে নিৰ্বাচনী প্ৰচাৰত অংশ লৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বৰাকৰ কেইবাটাও স্থানত নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীভূমি জিলাৰ নিলাম বজাৰত আয়োজিত বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি সমৰ্থিত প্ৰাৰ্থীসকলক ভোট দিবলৈ আহ্বান জনায়। শ্ৰীভূমি আয়োজিত সংকল্প সভাত মন্ত্ৰী কৃষ্ণেন্দু পাল, মন্ত্ৰী কৌশিক ৰায়, বিধায়ক বিজয় মালাকাৰ, কমলাক্ষ দে পুৰকায়স্থসহ জিলা বিজেপিৰ শীৰ্ষ নেতা উপস্থিত থাকে। মুখ্যমন্ত্ৰীগৰাকীয়ে শিলচৰ আৰু হাইলাকান্দিতো দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই **চৰাইদেউ** জিলাৰ মাহমৰা সমষ্টিৰ কচুমাৰীত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। প্ৰদেশ কংগ্ৰেছৰ সভাপতিগৰাকীক দলীয় সমৰ্থকসকলে বিহু নাচেৰে আদৰণি জনোৱা হয়।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডা০ ৰণোজ পেগুৱে ধেমাজি জিলাত মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আজি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিটাকৈ পঞ্চায়তত আয়োজিত কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ জীয়াধল, হাতীগড়, বাটঘৰীয়া আৰু লক্ষীপথাৰ গাঁও পঞ্চায়তত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ooooo

**গোলাঘাট** জিলা প্ৰশাসনৰ উদ্যোগত আজি নিৰ্বাচনী পৰ্যবেক্ষক মধুসূদন দাসৰ উপস্থিতিত প্ৰিজাইডিং আৰু প'লিং বিষয়াৰ বিশেষ প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীত মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়া উপস্থিত থাকে।

ooooo

শিলচৰৰ ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান এনআইটিত আজি ঐক্যতান ২০২৫ শীৰ্ষক এটা বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানৰ জৰিয়তে ভাৰতৰ বৈচিত্ৰময় সংস্কৃতি আৰু ঐতিহ্যক তুলি ধৰাৰ প্ৰয়াস কৰা হয়। পুৱাৰ  ভাগত সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই সন্দৰ্ভত প্ৰতিষ্ঠানটোৰ সঞ্চালক ড০ দিলিপ কুমাৰ বৈদ্যই এই অনুষ্ঠানক সামাজিক আৰু সাংস্কৃতিক ঐক্যৰ প্ৰতীক বুলি অভিহিত কৰে। পাঠ্যপুথিৰ গণ্ডিৰ বাহিৰলৈ গৈ ছাত্ৰ- ছাত্ৰীয়ে যাতে দেশৰ পৰম্পৰা, সংস্কৃতি আৰু মূল্যবোধ অনুধাৱন কৰিব পাৰে সেই লক্ষ্য আগত ৰাখি এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

ooooo

আই পি এল  টি-২০ ক্রিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছে পাঞ্জাৱ কিংছৰ বিৰুদ্ধে খেলিব। খেলখন কলকাতাৰ ইডেন গাৰ্ডেনছত সন্ধ্যা চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। পাঞ্জাৱ কিংছ নিজৰ ৮ খন খেলৰ ৫ খনত জয়লাভ কৰি বৰ্তমান পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে। কলকাতা নাইট ৰাইডাৰ্ছ ৮ খন খেলৰ ৩ খনত জয়লাভ কৰি সপ্তম স্থানত আছে।

ooooo

সমাপ্ত